জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬১/২০২২**

## শিৱসাগৰত গৰীব কল্যাণ সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অংশগ্ৰহণ

# প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩১ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৰীব কল্যাণ সন্মিলন উপলক্ষে আজি শিৱসাগৰ জিলাৰ গৰগাঁৱত আয়োজিত এক কাৰ্যসূচীত প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীসকলৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰে।

উল্লেখ্য যে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰীয়া স্মৃতি ৰোমন্থন কৰি উদযাপন কৰা 'স্বাধীনতাৰ অমৃত মহোৎসৱ' উপলক্ষে আজি চিমলাত অনুষ্ঠিত এক কাৰ্যসূচীযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিতাধিকাৰীসকলক সম্বোধন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰী আঁচনি হিতাধিকাৰীসকলৰ সৈতে ভাৰ্চুৱেল বাৰ্তালাপ কৰে। এই কাৰ্যসূচীৰ উদ্দেশ্য আছিল কেনেদৰে এই আঁচনিসমূহে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান সহজ কৰি তুলিছে সেয়া মূল্যায়ন কৰা। হিতাধিকাৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ এই বাৰ্তালাপৰ জৰিয়তে জনসাধাৰণৰ গৃহ, খোৱাপানীৰ উপলব্ধতা, খাদ্য, স্বাস্থ্য আৰু পুষ্টি, জীৱিকা আৰু বিত্তীয় অন্তৰ্ভুক্তি আদি বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। এই বাৰ্তালাপৰ জৰিয়তে আঁচনিসমূহৰ দ্বাৰা জনসাধাৰণৰ জীৱন ধাৰণৰ প্ৰণালী সূচল কৰি তুলিবলৈ জনকেন্দ্ৰিক দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰাই নহয়, চৰকাৰৰ প্ৰতি মানুহৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰা আৰু ৰাষ্ট্ৰৰ প্ৰগতিৰ ধাৰাৰ পৰা যাতে কোনো এজন ব্যক্তি বাদ পৰি নাযায় তাক নিশ্চিত কৰা হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নিৰ্দেশনাত ৰাজ্য চৰকাৰে বিভিন্ন জনমুখী আৰু দৰিদ্ৰ কেন্দ্ৰিক আঁচনিৰ জৰিয়তে ৰাইজৰ কাষ চাপি গৈছে। তেওঁ কয় যে চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক পৰ্যাপ্ত সেৱা আগবঢ়াব বিচাৰে, যাতে চৰকাৰৰ কল্যাণকামী ব্যৱস্থাৰ পৰা সমাজৰ শেষৰজন লোকো বাদ পৰি নাযায়। তেওঁ সেয়েহে ৰাজ্যখনৰ সকলো জনসাধাৰণক আগবাঢ়ি আহি চৰকাৰী আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ সকলো কৃষককে এই আঁচনিৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ধ্বজাবাহী কাৰ্যসূচীৰ পৰিসৰৰ অধীনত অধিক হিতাধিকাৰী সামৰি ল'বলৈ চৰকাৰৰ সমল আৰু সামৰ্থ দুয়োটাই আছে। তেওঁ ৰাজ্যখনৰ কৃষকসকলক এই আঁচনিৰ জৰিয়তে তেওঁলোকৰ কল্যাণৰ বাবে আগবাঢ়ি অহা উচিত বুলি মন্তব্য কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৫ লাখ হিতাধিকাৰীলৈ প্ৰথম কিস্তি বিতৰণ কৰি মুখ্যমন্ত্ৰীয়ে এই ধনৰাশিৰ সদব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে প্ৰথম কিস্তিৰ ধনৰ সঠিক আৰু উপযুক্ত ব্যৱহাৰ কৰিলে দ্বিতীয় কিস্তি আৰু তৃতীয় কিস্তিৰ ধন পাবলৈ সক্ষম হ'ব। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰদানৰ নামত কমিছনৰ ধন সৰকোৱাৰ চলনা কৰা কোনো অসাধু চক্ৰৰ চিকাৰ নহ'বলৈ তেওঁ হিতাধিকাৰীসকলক উদ্দেশ্যি কয়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ দৃষ্টিভংগীৰে জনসাধাৰণৰ মৰ্য্যদা সম্পন্ন জীৱন নিৰ্বাহৰ বাবে আৰ্থ-সামাজিক সৰলীকৰণ আৰু শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

উল্লেখ্য যে প্ৰতিগৰাকী হিতাধিকাৰীক ৩২,৫০০ টকাকৈ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ১৫ হাজাৰ হিতাধিকাৰীক মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰথম কিস্তি হস্তান্তৰ কৰে। ধ্বজাবাহী আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাবে অসমত ৫ লাখ হিতাধিকাৰীকে ধৰি অতিৰিক্ত ৮ লাখ হিতাধিকাৰী সামৰি লোৱা হ'ব বুলি তেওঁ কয়।

অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, বিধায়কক্ৰমে সুশান্ত বৰগোহাই, ধৰ্মেশ্বৰ কোঁৱৰ, ডি এন পি এলৰ অধ্যক্ষ ৰূপম গোস্বামী, নগৰ পানী যোগানৰ অধ্যক্ষ কুশল দুৱৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ড০ জে বি এক্কা আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হিতাধিকাৰীসকলৰ সৈতে আজিৰ ভাৰ্চুৱেল বাৰ্তালাপ অনুষ্ঠানটি সম্পূৰ্ণ প্ৰত্যক্ষ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

**সুঃদঃ / হেঃশঃ**
**৩১/০৫/২০২২**